# জোনাক নিশা

**প্ৰশ্ন ১। জোনাক ৰাতিৰ শােভা দেখি তাােমাৰ কেনে লাগে ?**

**উত্তৰঃ** বৰ ভাল লাগে । দেহ – মন জুৰ পৰি যায় ।

**প্ৰশ্ন ২। জোনাক ৰাতিৰ শােভা তুমি নিজৰ অভিজ্ঞতাৰে বৰ্ণনা কৰা । (পাঁচটা বাক্যত )**

**উত্তৰঃ** জোনাক ৰাতি এদিনাখন দেউতাই মাােক আমাৰ ওচৰতে থকা নৈখনৰ পাৰলৈ ফুৰাবলৈ নিছিল । জোনাকৰ পাােহৰত সেইদিনা নৈখনে এনে মনাােমাােহা ৰূপ লৈছিল যে মাােৰ ভাব হৈছিল সেইবাােৰ যেন পানী নহয় , কোনাােবাই ৰূপ গলাইহে নৈখনত ঢালি দিছে । নৈৰ বালিচৰ আৰু ওচৰৰ গছ – গছনিবাােৰেও সেইদিনা জোনাকৰ পাােহৰ গাত সানি গাােটেইখন সপাােন ৰাজ্যত পৰিণত কৰিছিল । গছৰ পাতৰ মাজেৰে সৰকি অহা জালীকটা জোনাকে পাােহৰাােৰা নৈপৰীয়া সৰু আলিটোত সেইদিনা মই স্ফুৰ্তিতে দৌৰি ফুৰিছিলোঁ । সেই জোনাক ৰাতিটোৰ অভিজ্ঞতাৰ কথা মই কেতিয়াও পাহৰিব নাােৰাৰিম ।

**প্ৰশ্ন ৩। কোনটো তিথিত জোনাক ৰাতিৰ শােভা আটাইতকৈ বেছি হয় জানানে ?**

**উত্তৰঃ** জানাে । পূৰ্ণিমা তিথিত ।

**প্ৰশ্ন ৪। জোনাক ৰাতিৰ শােভাৰ বাবে কবিয়ে কাৰ ওচৰত মূৰ দোৱাইছে ?**

**উত্তৰঃ** বিশ্বপতিৰ ওচৰত ।

**প্ৰশ্ন ৫। কবিতাটোৰ আধাৰত জোনাক ৰাতিৰ শােভা বৰ্ণনা কৰিবলৈ তলৰ বাক্যবাােৰ সম্পূৰ্ণ কৰা ।**

( ক ) আকাশত জোনটি …………… জ্বলি থাকে ।

( খ ) নৈ-বিল , ঘৰবাৰী , সকলাােতে জোনৰ ………….. পৰে ।

( গ ) জোনটিৰ কেউকাষে তৰাববাৰে ……………. হাঁহে আৰু ……………. নাচে ।

( ঘ ) সীমাহীন আকাশজুৰি জোনটোৱে ……………. আৰু তাকে দেখি মনটো আনন্দত ………………।

( প্ৰয়াোগ কৰিবলগীয়া শব্দৰ ইংগিতঃ ৰূপালীজেউতি , নাচি উঠে , তিৰবিৰ কৰি , জকমক কৰি , ছেওধৰি , শাোভা কৰে । )

**উত্তৰঃ** ( ক ) আকাশত জোনটি জকমক কৰি জ্বলি থাকে ।

( খ ) নৈ – বিল , ঘৰ – বাৰী , সকলাোতে জোনৰ ৰূপালী জেউতি পৰে ।

( গ ) জোনটিৰ কেউকাষে তৰাবাোৰে তিৰবিৰ কৰি হাঁহে আৰু ছেওধৰি নাচে ।

( ঘ ) সীমাহীন আকাশজুৰি জোনটোৱে শাোভা কৰে আৰু তাকে দেখি মনটো আনন্দত নাচি উঠে।

**প্ৰশ্ন ৬। বাক্য ৰচনা কৰা –**

ঘৰবাৰী , দেহ – মন , অসীম , নতি , তিৰবিৰ , বিতাোপন

**উত্তৰঃ ঘৰ-বাৰী :-** যাোৱাটো বানপানীয়ে বহুতৰে ঘৰ – বাৰী উটুৱাই নিছে ।

**দেহ-মন :-** মলয়া বতাহ বলিলে দেহ – মন জুৰ পৰি যায় ।

**অসীম :-** অসীম আকাশৰ ৰহস্য বুজাটো টান ।

**নতি :-** পুতেকৰ মংগলৰ বাবে মানুহজনীয়ে ভগৱানক নতি জনাইছে ।

**তিৰবিৰ :-** ৰাতিৰ আকাশত তৰাবাোৰে তিৰবিৰ কৰি থাকে।

**বিতাোপন :-** আমাৰ বিদ্যালয়ৰ সন্মুখত বিতাোপন বাগিচা এখন আছে।

**প্ৰশ্ন ৭। ( ক ) শৰৎকালৰ পূৰ্ণিমাত হাোৱা উৎসৱ দুটা কি ?**

**উত্তৰঃ** শ্ৰীকৃষ্ণৰ ৰাসলীলা আৰু লক্ষ্মী পূজা ।

( খ ) বসন্তকালৰ পূৰ্ণিমাত হাোৱা উৎসৱটো কি ?

**উত্তৰঃ** শ্ৰীকৃষ্ণৰ দৌলযাত্ৰা ।